~~2nd Position~~



# লাচিত বৰফুকন

- শ্ৰী দিক্ষিতা চৌধুৰী
(দশম কলি)

আৰম্ভণি :- লাচিত বৰফুকন আছিল অসমৰ এজন মহান দেশপ্ৰেমিক বীৰ পুত্ৰ। তেওঁৰ দৰে অন্য এজন বীৰৰ উদাহৰণ অসমৰ ইতিহাসত পোৱা নাযায়। আহোম - মোগলৰ মাজত সংঘটিত হোৱা শৰাইঘাটৰ যুদ্ধত তেওঁ নিজৰ দক্ষতা, সাহসিকতা আৰু কৰ্মকুশলতাৰ পৰিচয় দিছিল যিয়ে তেওঁৰ নাম অসমৰ ইতিহাসত অমৰ কৰি থৈ গৈছে। এইজনা বীৰ সন্তানৰ জন্ম হৈছিল ১৬২২ খ্ৰীঃত গড়গাঁৱৰ হুচৰত। তেওঁৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। লাচিত তেওঁৰ পিতৃ - মাতৃৰ চতুৰ্থ তথা কনিষ্ঠ সন্তান আছিল।

কৰ্ম জীৱন :- লাচিত বৰফুকন সৰুৰে পৰা অতি নিৰ্ভীক, সৎ আৰু কৰ্তব্যপৰায়ণ আছিল। তেওঁৰ পিতৃ আহোম ৰজাৰ বৰবৰুৱা পদবীত থকা

যাৰে তেওঁ অকণৰে পৰাই তেওঁৰ পিতৃৰ কাম-কাজ তথা বিভিন্ন জন-জাতীয়সকলৰ লগতে হোৱা আলোচনাবোৰ প্ৰত্যক্ষ কৰাৰ সুবিধা লাভ কৰিছিল আৰু এইবোৰৰ পৰা তেওঁ বহুতো জ্ঞান তথা অভিজ্ঞতা আহৰণ কৰিছিল। যুৱ অৱস্থাত ভৰি দিয়ে তেওঁ বহুতো জ্ঞান তথা অভিজ্ঞতা নিজৰ দক্ষতাৰে আহোমৰ ৰজাঘৰত "হাচতিধৰা অমুলী" পদত নিযুক্তি লাভ কৰিছিল। এনেদৰে তেওঁ ৰজাঘৰত ক্ৰমে ঘোঁৰা বৰুৱা, দোলীয়া বৰুৱা, সিমলুগুৰীয়া ফুকন আদি পদবী লাভ কৰিছিল। অৱশেষত, মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত দিমৌমুখত শত্ৰুপক্ষৰ সন্মুখত যি সাহস দক্ষতা তথা পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল তাৰ পৰা তেওঁৰ পৰাক্ৰমৰ উমান পাই তেওঁক স্বৰ্গদেউ চক্ৰধ্বজ সিংহই আহোমৰ বৰ সেনাপতি পাতি বৰফুকন পদত নিযুক্তি দিছিল।

দেশভক্তি :- ১৬৬৭ চনত আহোম-মোগলৰ যুদ্ধ আৰম্ভ

হৈছিল। এইবাৰো লাচিতে তেওঁৰ বীৰত্বৰ পৰিচয় দি মোগল সৈন্যক মানাহ নদী পাৰ কৰি খেদি পঠিয়াইছিল। অসমীয়া সৈন্যৰ হাতত হোৱা মোগলৰ এই পৰাজয়ৰ কথা সহ্য কৰিব নোৱাৰি এইবাৰ মোগল সম্রাট ঔৰংজেবে সেনাপতি ৰামসিংহক অসম আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰিছিল। মোগলৰ বিশাল সৈন্যবাহিনী দেখিও লাচিত বৰফুকনে অলপো বিচলিত নহৈ শত্ৰুৰ সৈতে পৰাক্ৰমেৰে যুঁজ দিবলৈ অসমীয়া সৈন্য সকলক আহ্বান জনাইছিল আৰু সকলোকে নিজৰ কৰ্তব্যত অৱহেলা নকৰাৰ বাবে সকীয়নি দিছিলা। তেওঁ উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত শত্ৰু সৈন্যক বাধা দিবলৈ এটা গড় নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল আৰু তাৰ চোৱা-চিতাৰ কাম তেওঁৰ এজন মোমায়েকক প্ৰদান কৰিছিলা। কিন্তু গড় নিৰ্মাণৰ কাম পিচ পৰি থকাত গড় নিৰ্মাণস্থলীতে তেওঁ মোমায়েকক শিৰচ্ছেদ কৰি 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি কৈ নিজ দেশভক্তিৰ পৰিচয় দিছিলা। তেওঁৰ এই উগ্ৰমূৰ্তি দেখি সকলো বৰ শংকিত হৈছিলা আৰু দুগুণ

আঙুৰে কোম কৰি ৰাতিৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰি মোগল সৈন্যক 'ভেটা' দিছিল। ইয়াতেই ১৬৭১ চনৰ মাৰ্চত আহোম-মোগলৰ শেষ যুদ্ধ তথা ইতিহাস প্ৰসিদ্ধ শৰাইঘাটৰ ৰণ সংঘটিত হৈছিল য'ত লাচিত বৰফুকনৰ সমৰ কৌশলতাৰ আগত বিশাল মোগল বাহিনী পৰাস্ত হৈছিল। এই যুদ্ধৰ সময়ত লাচিত বৰফুকন তীব্ৰ-জ্বৰত ভুগিছিল যদিও তেওঁ নিজৰ দেহৰ কথা পাহৰি দেশ ৰক্ষা কৰাৰ বাবে কঠোৰ-প্ৰতিজ্ঞা গ্ৰহণ কৰিছিল আৰু প্ৰবল পৰাক্ৰমে যে যুঁজি দেশ ৰক্ষা কৰিছিল।

সামৰণি :- শৰাইঘাটৰ যুদ্ধৰ কিছুদিনৰ পিছতে তুৰাহাটীত লাচিত বৰফুকনৰ মৃত্যু হৈছিল। এনে এজন তুলনাবিহীন দেশপ্ৰেমিক বীৰৰ বীৰত্বৰ গাঁথাই প্ৰতিজন অসমীয়াৰে মনত সদায় দেশপ্ৰেমৰ ভাব জাগ্ৰত কৰি থাকিব।

— o —